দিনটোৰ বাণী

নিজক সদায় আনন্দত ৰাখিবা। আনন্দময়, উৎসাহী আৰু শক্তিমানৰ কাৰণেহে জগতখন। দুৰ্বল, নিৰুৎসাহী মানুহৰ বাবে নহয়।

— ওমাৰ্চন

# অসম আদিত্য

চতুৰ্থ বছৰ ■ সংখ্যা ১৮৯ ■ ২৯ আহাৰ, ১৯৪৪ শক ■ বৃহস্পতিবাৰ, ১৪ জুলাই, ২০২২ ■ Asom Aditya, Dibrugarh, Thursday, July 14, 2022 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটী

## মৰিধল মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় শিক্ষানীতিৰ সভা

বিশেষ প্ৰতিনিধি, ধেমাজি, ১৩ জুলাই ঃ ধেমাজি জিলাৰ মৰিধল মহাবিদ্যালয়ৰ অভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষ আৰু ৰাষ্ট্ৰীয় শিক্ষানীতি ৰূপায়ণৰ টাস্ক ফ'ৰ্চৰ যৌথ উদ্যোগত ১২ জুলাইত ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০ ৰূপায়ণৰ বাবে মহাবিদ্যালয়সমূহৰ ৰ'ডমেপ প্ৰস্তুত শীৰ্ষক এক ফেকালিটী ডেভেলপমেণ্ট অনুষ্ঠান ৮ পৃষ্ঠাত

## মৰিধল মহাবিদ্যালয়ত

অনুষ্ঠিত হয়। অধ্যক্ষ ড° দীপেন শইকীয়াৰ পৌৰোহিত্যত অনুষ্ঠিত অনুষ্ঠানটোৰ উদ্দেশ্য ব্যাখ্যা কৰে কোষৰ সমন্বয়ক ড° লেখন গগৈয়ে। সমল ব্যক্তি হিচাপে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ যুটীয়া পঞ্জীয়ক (শৈক্ষিক) ড° বিনোদ বৰাই ৰাষ্ট্ৰীয় শিক্ষানীতিৰ আধাৰত বিশ্ববিদ্যালয় অনুদান আয়োগে প্ৰস্তুত কৰা উচ্চ শিক্ষাৰ পাঠ্যক্ৰমৰ আৰ্হিৰ সন্দৰ্ভত আলোকপাত কৰে। ৰাষ্ট্ৰীয় শিক্ষানীতিয়ে পৰামৰ্শ আগবঢ়োৱা চাৰিবছৰীয়া স্নাতক ডিগ্ৰীৰ ছেমিষ্টাৰ ভিত্তিক পাঠ্যক্ৰমৰ আৰ্হিৰ সন্দৰ্ভতো তেওঁ আলোচনা আগবঢ়ায়। প্ৰায় দুকুৰি শিক্ষক-শিক্ষয়িত্ৰীয়ে অংশগ্ৰহণ কৰা অনুষ্ঠানটোত উচ্চ শিক্ষাৰ ক্ষেত্ৰত গাঁথনিগত একাধিক প্ৰস্থান, পাৰ্শ্বীয় প্ৰৱেশ, বহু বিষয়ক পন্থা আদিৰ সন্দৰ্ভত সমল ব্যক্তিৰ লগত শিক্ষক-শিক্ষয়িত্ৰীসকলে মত-বিনিময় কৰে। সমন্বয়ক ড° ভৱানী চহৰীয়াই সমল ব্যক্তিৰ লগতে উপস্থিত সকলো শিক্ষক-শিক্ষয়িত্ৰীক ধন্যবাদ জ্ঞাপন কৰে।